নিয়মীয়া বার্তা
বৃহস্পতিবাৰ, ১৩ মে' ২০২১

# হোমেন বৰগোহাঞিৰ জীৱনপঞ্জী

জন্ম ঃ ৭ ডিচেম্বৰ, ১৯৩২ চন
জন্ম ঠাই ঃ ঢকুৱাখনা, লখিমপুৰ জিলা, অসম
পিতৃৰ নাম ঃ স্বৰ্গীয় ইন্দ্ৰধৰ বৰগোহাঞি
মাতৃৰ নাম ঃ স্বৰ্গীয় আইতা বৰগোহাঞি
শিক্ষাগত অৰ্হতা ঃ ডিব্ৰুগড় বালক উচ্চ মাধ্যমিক স্কুলৰ পৰা ১৯৫০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ। কটন কলেজৰ পৰা আই এছ চি ১৯৫২ চনত আৰু ১৯৫৪ চনত ইংৰাজীত সন্মান সহকাৰে কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ।

**পেছাগত অভিজ্ঞতা ঃ**

১৯৫৪ চনত ঢকুৱাখনা মাধ্যমিকত ছমাহ শিক্ষকতা।
১৯৫৫ চনত অসম প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ মাজুলীৰ উপপ্ৰতি সমাহৰ্তা হিচাপে যোগদান।
১৯৫৭ চনত প্ৰথমখন গল্পপুথি 'বিভিন্ন কোৰাচ'ৰ প্ৰকাশ।
১৯৫৮, ১২ মাৰ্চ— বিশিষ্ট লেখিকা নিৰুপমা তামুলীৰ লগত বিবাহ সম্পন্ন।
১৯৫৮ চনৰ পৰা ১৯৬০ চনলৈ— ছয়গাঁৱৰ উপপ্ৰতি সমাহৰ্তা।
১৯৬০ চনৰ পৰা ১৯৬২ চনলৈ— গোৱালপাৰা মহকুমাৰ পৰিকল্পনা বিষয়া।
১৯৬৩ চনৰ পৰা ১৯৬৫ চনলৈ উত্তৰ লখিমপুৰৰ পৰিকল্পনা বিষয়া।
১৯৬৫ চনৰ পৰা ১৯৬৮ চনলৈ— যোৰহাটৰ পৰিকল্পনা বিষয়া।
১৯৬৮ ঃ চৰকৰী চাকৰিৰ পৰা ইস্তফা দি 'সাপ্তাহিক নীলাচল'ৰ সম্পাদকৰ দায়িত্ব লৈ ১৯৭৭ চনলৈকে সেই দায়িত্ব পালন কৰে।
১৯৭৭ ঃ 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা প্ৰদান। উক্ত বৰ্ষতে নীলাচলৰ পৰা পদত্যাগ কৰি 'সাপ্তাহিক নাগৰিক'ৰ সম্পাদক হয়।
১৯৭৮ ঃ 'পিতা-পুত্ৰ' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা গ্ৰহণ।
১৯৮০ ঃ 'লোকায়ত' আলোচনীৰ সম্পাদক।
১৯৮১ ঃ কলকাতাৰ পৰা প্ৰকাশিত বাংলা কাকত 'আজকাল'ৰ উত্তৰ-পূবৰ বিশেষ সংবাদদাতা হিচাপে যোগদান।

**৪২৮ মাণিক সন্ধানী হোমেন বৰগোহাঞি**

১৯৮৭ ঃ 'সমকাল' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক।
১৯৮৯ ঃ 'সূত্ৰধাৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক।
১৯৯১ ঃ নৱপ্ৰজন্মৰ বাবে প্ৰকাশিত 'কিশোৰ' আলোচনীৰ প্ৰতিষ্ঠাপক সম্পাদক।
১৯৯২ ঃ অসম উপত্যকা সাহিত্য বঁটা গ্ৰহণ।
১৯৯৩ ঃ সাপ্তাহিক কাকত 'অসম বাণী'ৰ সম্পাদক।
১৯৯৭ ঃ 'অসম বাণী'ৰ পৰা পদত্যগ আৰু দৈনিক কাকত 'আমাৰ অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্ৰহণ।
২০০০ ঃ অসম সাহিত্য সভাৰ তৰফৰ পৰা 'সাংবাদিক লক্ষ্মীনাথ ফুকন বঁটা' গ্ৰহণ।
২০০১ ঃ অসম সাহিত্য সভাৰ ডিব্ৰুগড় অধিৱেশনৰ সভাপতি।
২০০২ ঃ সাংবাদিকতাৰ বাবে জয়কৃষ্ণ ৰামদয়াল (দিল্লী) বঁটা লাভ।
২০০৪ ঃ 'আমাৰ অসম'ৰ পৰা পদত্যাগ কৰি 'দৈনিক বাতৰি'ৰ প্ৰতিষ্ঠাপক সম্পাদকৰ পদ গ্ৰহণ।
২০০৫ ঃ 'দৈনিক বাতৰি'ৰ পৰা পদত্যাগ আৰু পষেকীয়া সাহিত্য আলোচনী 'সাতসৰী'ৰ প্ৰতিষ্ঠাপক সম্পাদকৰ পদ গ্ৰহণ।
২০০৭ ঃ 'আমাৰ অসম'ত পুনৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ।
২০০৭ ঃ জি এন আৰ চি স্বাস্থ্য আলোচনীৰ সম্পাদক।
২০০৯ ঃ 'নিউজ লাইভ'ৰ দ্বাৰা সম্প্ৰসাৰিত 'কথা-বাৰ্তা'ৰ বিশিষ্ট সঞ্চালক।
২০১৫ ঃ 'নিয়মীয়া বাৰ্তা' কাকতৰ সম্পাদনা উপদেষ্টা।
মৃত্যু পৰ্যন্ত 'নিয়মীয়া বাৰ্তা'ৰ মুখ্য সম্পাদক পদত কাৰ্যনিৰ্বাহ।

**গ্ৰন্থপঞ্জী ঃ**

**গল্প সংকলন ঃ** বিভিন্ন কোৰাচ (১৯৫৭), প্ৰেম আৰু মৃত্যুৰ কাৰণে (১৯৫৮), স্বপ্ন, স্মৃতি বিষাদ (১৯৬৭), গল্প আৰু নক্সা (১৯৬৬), অস্তিত্বৰ জ্যোতিময় চেতনা (সম্পাদনা- তীৰ্থ ফুকন)

**উপন্যাস ঃ** সুবালা (১৯৬৩), তান্ত্ৰিক (১৯৬৭), কুশীলৱ (১৯৭০), পুৱাৰ পূৰবী নিশাৰ বিভাষ (১৯৭১, বিশিষ্টা লেখিকা নিৰুপমা বৰগোহাঞিৰ সৈতে যুটীয়াভাৱে লিখা), হালধীয়া চৰায়ে বাওধান খায় (১৯৭৩), পিতা-পুত্ৰ (১৯৭৫), তিমিতীৰ্থ (১৯৭৫), অস্তৰাগ (১৯৮৬), মৎস্যগন্ধা (১৯৮৭), সাউদৰ পুতেকে নাও মেলি যায় (১৯৮৭), নিসংগতা (২০০০), বিষণ্ণতা (২০০২), এদিনৰ ডায়েৰী (২০০৩),

**কবিতা সংকলন ঃ** হৈমন্তী (১৯৮৭)

**প্ৰবন্ধ সংকলন ঃ** বিভিন্ন নৰক (১৯৬৬), ধূসৰ দিগন্ত (১৯৭০), হৃদয়ৰ মানচিত্ৰ (১৯৭৯), জিজ্ঞাসা (১৯৮০), অসমৰ চাহ উদ্যোগৰ অকথিত কাহিনী (১৯৮০), কলগাৰ্ল (১৯৮১), স্বৰ্গ আৰু নৰক (১৯৮৭), ইতিহাসৰ সাক্ষী (১৯৮৮), সপ্তম দশক (১৯৮৯), সুখ আৰু দুখ (১৯৯২), পাঠকৰ টোকাবহী (১৯৯৩), প্ৰজ্ঞাৰ সাধনা (১৯৯৪), জীৱনৰ সাধনা (১৯৯৪), গদ্যৰ সাধনা (১৯৯৫), স্বৰ্গ আৰু নৰক (১৯৯৫), আত্মাদীপো ভৱ (১৯৯৬), কথা-বাৰ্তা (১৯৯৯), উচ্চাকাংক্ষা (১৯৯৯), বিচিত্ৰ অভিজ্ঞতা আৰু অনুভূতি (২০০০), জীৱনৰ পৰা আমি কি বিচাৰোঁ (২০০১), আশীৰ দশকৰ দস্তাবেজ (২০০১), বিপদৰ বন্ধু (২০০৩), জীৱন জিজ্ঞাসা (২০০৩, গীতিমালিকা নেওগৰ সৈতে যুটীয়াভাৱে), জীৱনৰ উপহাৰ (২০০৪, গীতিমালিকা নেওগৰ সৈতে যুটীয়াভাৱে), কথাৰ মূৰত কথা (২০০৫), চিন্তা-তৰংগ (২০০৬), জিজ্ঞাসা (২০০৬), হৃদয়ৰ সংবাদ (২০০৭), কাম কৰাৰ আনন্দ (২০০৭), মই যেতিয়া ক্লান্ত হওঁ (২০০৭), জীৱনৰ মধুৰতম সময় (২০০৮), স্বাস্থ্য ৰক্ষাৰ সহজ নিয়ম (২০০৮), আনন্দ আৰু বেদনাৰ সন্ধানত (২০০৮), ৰহস্যময় বিষাদ আৰু যন্ত্ৰণা (২০০৯), মোৰ যৌৱনৰ ৰামধেনু (২০০৯), অসম্ভৱক সম্ভৱ কৰাৰ সাধনা, মোৰ জীৱনত ঈশ্বৰ, সৰল জীৱন সুখী জীৱন।

**আত্মজীৱনীমূলক গ্ৰন্থ ঃ** আত্মানুসন্ধান (১৯৮৮), মোৰ সাংবাদিক জীৱন (১৯৮৯), ধুমুহা আৰু ৰামধেনু (প্ৰথম খণ্ড-১৯৯৭, দ্বিতীয় খণ্ড ১৯৯৮), মোৰ হৃদয় এখন যুদ্ধক্ষেত্ৰ (২০০৬)।

**সম্পাদনা গ্ৰন্থ ঃ** বিংশ শতাব্দীৰ অসমীয়া সাহিত্য (১৯৬৭), ৰৌদ্ৰ নীলিমা (১৯৬৯, নন্দ তালুকদাৰৰ সৈতে যুটীয়াভাৱে), অসমীয়া গল্প সংকলন (প্ৰথম খণ্ড-১৯৭৫, দ্বিতীয় খণ্ড- ১৯৭৬, তৃতীয় খণ্ড-২০০৫), মালিক (১৯৮৯), অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড-১৯৯৩), গদ্যৰ সাধনা (১৯৯৪), বিংশ শতাব্দীৰ সন্ধানত (১৯৯৪), অসমীয়া প্ৰেমৰ কবিতা (২০০২, কৰবী ডেকা হাজৰিকাৰ লগত যুটীয়াভাৱে), শৰৎ চন্দ্ৰ সিংহ (২০০৫), শ্ৰেষ্ঠ নিৰ্বাচিত অসমীয়া প্ৰবন্ধ (প্ৰথম খণ্ড-২০০৩, দ্বিতীয় খণ্ড-২০০৬), ৰামধেনু (নিৰ্বাচিত সংকলন, গীতিমালিকা নেওগ-অনমিত্ৰ গগৈৰ সৈতে, ২০০৯), নীলাচলৰ পাতত হোমেন বৰগোহাঞিৰ মুখামুখি সাক্ষাৎকাৰ (ড° ৰঞ্জিত সভাপণ্ডিতৰ সৈতে ২০১০), জয়ন্তী (পৰমানন্দ মজুমদাৰৰ সৈতে ২০১১), জীৱনৰ পৰা মই কি শিকিলোঁ (জীনামণি ফুকনৰ সৈতে, ২০১৩), সোণাৰাম চুতীয়া ঃ এজন অসাধাৰণ সাধাৰণ মানুহ (ড° জয়ন্তী চুতীয়াৰ সৈতে), ভাৰতীয় আৰু ইউৰোপীয় চিন্তাত মৃত্যু (গীতিমালিকা নেওগ-অমল দাসৰ সৈতে, ২০১৪), মোৰ জীৱনত সৰ্বাধিক প্ৰভাৱ পেলোৱা ঃ মানুহ আৰু কিতাপ, মোৰ জীৱন দৰ্শন।

**শিশু আৰু কিশোৰৰ বাবে গ্ৰন্থ ঃ** আধুনিক যুগৰ জন্ম কাহিনী (১৯৮৯), অ, আ, ক, খ (১৯৯২), কিতাপ পঢ়াৰ আনন্দ (১৯৯১), আমাক কিতাপ লাগে (১৯৯৩), মানুহ হোৱাৰ গৌৰৱ (১৯৯৪), মোৰ প্ৰিয় মানুহ চক্ৰেটিছ (১৯৯৪), অন্তহীন বেদনাৰ উৎস-লুইচ পেষ্টুয়ৰ (১৯৯৪), পোহৰৰ সাধনা (১৯৯৮), বেঞ্জামিন ফ্ৰেংকলিন (১৯৯৬), ডাৰউইন (২০০৪), কিশোৰ সাৰথি (২০১০)।

**ৰচনা সমগ্ৰ ঃ** চাৰিটা দশকৰ ফচল ঃ প্ৰবন্ধ সমগ্ৰ (১৯৯৭), উপন্যাস সমগ্ৰ-১ (১৯৯৭), উপন্যাস সমগ্ৰ-২ (১৯৯৭), জীৱন সুন্দৰ আৰু ভয়ংকৰ ঃ মোৰ জীৱনৰ বিচিত্ৰ কাহিনী (২০১৩), জীৱনৰ জয়গান আৰু এশখন অন্যান্য ৰচনা (২০১৩), অবিস্মৰণীয় ঃ মানুহ, ঘটনা আৰু অভিজ্ঞতা (২০১৪)।

**অনুবাদ গ্ৰন্থ ঃ** মোৰ প্ৰিয় পাঁচটা জাৰ্মান গল্প (১৯৯৯। **ইয়াৰ উপৰি অসম সাহিত্য সভাৰ সভাপতি হৈ থকা সময়ত বিশ্বকোষৰ পাঁচটা খণ্ড প্ৰকাশ।**